২.১০ আবেগিক বিকাশ (Emotional development) ঃ

আবেগিক বিকাশৰ অর্থ হৈছে— আবেগসমূহ নিয়ন্ত্রণ কৰিবলৈ শিকা আৰু এইবোৰ সমাজে বিচৰা ধৰণে প্রকাশ কৰিব পৰা সামর্থতা। এটা শিশুৰ বিকাশত আবেগসমূহ অতি দৰকাৰী। সাধাৰণতে

আবেগ হৈছে মনৰ এক আমনিদায়ক অৱস্থা। যেতিয়া আমাৰ অনুভূতিসমূহ তীব্ৰ আৰু উত্তেজনামূলক হয়, সেইবোৰেই আবেগ হৈ পৰে। সৰু সৰু ল'ৰা ছোৱালীৰ মাজত দেখা পোৱা আবেগসমূহ হৈছে— মৰম বা ভালপোৱা, আনন্দ, খং, ভয় ইত্যাদি। শিশু অৱস্থাত আবেগ অতি সঘনে পৰিবৰ্তন হয়। আবেগ দুই প্ৰকাৰ হয়। এইবোৰ হ'ল— গঠনমূলক আৰু ধ্বংসমূলক। মৰম, চেনেহ, আনন্দ, উৎফুল্লতা ভালপোৱা আদি গঠনমূলক আবেগ। আনহাতে ভয়, খং, হতাশা, ঈর্ষা উদ্বেগ আদি ধ্বংসমূলক আবেগ। তোমালোকেও এই দুইধৰণৰ আবেগ প্ৰকাশ কৰানে? এতিয়া আমি জন্মৰ পৰা তিনি বছৰ বয়সৰ শিশুৰ আবেগসমূহ কেনেধৰণৰ চাওঁ আহাঁ—

জন্মৰ পৰা তিনি মাহ (০-৩ মাহ) ঃ

এই বয়সৰ শিশুৰ যেতিয়া ভোক লাগে, ক'ৰবাত দুখ পালে বা পেচাব পায়খানা কৰিলে অধিক কষ্ট অনুভৱ কৰে আৰু কান্দিবলৈ ধৰে। আনহাতে যেতিয়া তেওঁলোকক মৰম কৰা হয় বা মৰমৰ মাত দিয়া হয়, তেতিয়া আনন্দ অনুভৱ কৰে। এই অনুভৱ হাঁহিৰে প্ৰকাশ কৰে। এই বয়সত শিশুৱে এই দুই ধৰণৰ আবেগ প্ৰকাশ কৰে। কৰ্কশ মাত, চিঞৰা, হঠাতে চিঞৰ-বাখৰ হোৱা আদি অনুভূতিয়ে শিশুৰ মনত ভয়ৰ সৃষ্টি কৰিব পাৰে।

চাৰিৰ পৰা ছয় মাহ (৪-৬ মাহ) ঃ

এই বয়সৰ শিশুৰ ভোক লাগিলে, পেচাব, পায়খানা কৰিলে চিঞৰি কান্দিবলৈ আৰম্ভ কৰে আৰু খঙৰ ভাৱ দেখুৱায়। খঙৰ দ্বাৰা শিশুৱে নিজৰ মনোযোগ আকৰ্ষণ কৰিবলৈকো বিচাৰে। যেতিয়া শিশুৱে মাক, দেউতাক বা পৰিয়ালৰ অন্য চিনাকী মানুহ ওচৰত নাপায়, তেতিয়া খঙৰ ভাৱ দেখুৱায়।

সাতৰ পৰা ন মাহ (৭-৯ মাহ) ঃ

এই বয়সত শিশুৱে মাক-দেউতাক, ককাই, ভাই, বাই-ভনী, ককাক, আইতাক আদিৰ সৈতে মৰমৰ বান্ধোনেৰে বান্ধ খাই পৰে। তাৰোপৰি শিশুৰ খেলা বস্তু যেনে— পুতলা, খেলনা, কুকুৰ, মেকুৰী বা শিশুৱে ভালপোৱা অন্যান্য খেলা সামগ্ৰী আদিৰ প্ৰতিও মৰমৰ ভাৱ দেখুৱায়। শিশুৱে ভালপোৱা লোক বিশেষকৈ মাকক বা ভালপোৱা খেলনা বস্তু সাবটি, চুমা খাই মৰমৰ ভাৱ প্ৰকাশ কৰে।

দহৰ পৰা ওঠৰ মাহ (১০-১৮ মাহ) ঃ

যিকোনো ধৰণৰ নতুন পৰিস্থিতিৰ সন্মুখীন হ'লে এই বয়সৰ শিশুৰ ভয় ভাৱ জাগে। অচিনাকী বস্তু বা অচিনাকী লোক হঠাতে দেখিলে, ডাঙৰ শব্দ শুনিলে, আগতে নেদেখা বস্তু, জীৱজন্তু আদি দেখিলেও শিশুৱে ভয় খায়। বিশেষকৈ মাকৰ অনুপস্থিতিত অচিনাকী মানুহ, জীৱজন্তু আদি দেখিলে শিশুৱে বেছিকৈ ভয় ভাৱ দেখুৱায় আৰু এনেদৰে কান্দিবলৈ ধৰে, যাক নিয়ন্ত্ৰণ কৰিব নোৱাৰি। অচিনাকী মানুহ দেখিলে কিবা বস্তুৰ পিছফালে বা মাকৰ পিছফালে লুকাবলৈ চেষ্টা কৰে।

ডেৰ বছৰৰ পৰা তিনি বছৰ (১$^{১}/_{২}$ - ২ বছৰ) ঃ

যেতিয়া পৰিয়ালত আন এটা শিশুৰ আগমন হয় আৰু মাকে নৱজাত শিশুৰ আদৰ যতন কৰিলে, এই বয়সৰ শিশুৰ ঈর্ষাৰ ভাৱ জাগে। ফলত শিশু বিদ্রোহী হৈ উঠে আৰু বিছনাত প্ৰস্ৰাৱ কৰি, বুঢ়া আঙুলি চুপি, মাকক আৰু তাৰ ভায়েক বা অন্যক

কামুৰি হিংসাভাৱ প্ৰকাশ কৰে। তাৰোপৰি শিশুৱে মনোযোগ আকৰ্ষণ কৰিবলৈ বয়বস্তু দলিয়াই, ভাঙি ছিঙি নষ্ট কৰে।

২.১১ আবেগৰ প্ৰকাশ (Expression of emotions) ঃ

এজন মানুহে অন্যলোকৰ প্ৰতি কেনেধৰণৰ সহাঁৰি জনাই, তাক জানিবৰ বাবে আবেগৰ প্ৰকাশ দৰকাৰ। আবেগ বিভিন্ন ধৰণে প্ৰকাশ কৰিব পাৰি— মুখেৰে কথাকৈ, শাৰিৰীক অংগীভংগীৰ দ্বাৰা আৰু মুখৰ বহিঃপ্ৰকাশৰ দ্বাৰা। সকলো শিশুৱেই এই ধৰণেৰে আবেগ প্ৰকাশ কৰে। সাধাৰণতে শিশুসকলৰ আবেগিক আচৰণসমূহ বেলেগ বেলেগ হয়। এটা শিশুৱে অচিনাকী মানুহ দেখিলে মাকৰ পিছফালে লুকাব খোজে, কিছুমানে জোৰকৈ চিঞৰিব ধৰে। শিশুসকলে কম সময়ৰ বাবেহে আবেগ প্ৰকাশ কৰে। খং উঠিলে শিশুৱে সমনীয়াক, মাকক বা ভায়েক ভনীয়েকক মাৰপিট কৰে। কিন্তু খন্তেক সময়ৰ পিছতে মৰমত সাৱটি ধৰে। শিশুৱে সামান্য কথাত আৱেগিক হৈ পৰে আৰু এনে আবেগ মুখৰ বহিঃপ্ৰকাশৰ পৰা ধৰিব পাৰি। উদাহৰণস্বৰূপে শিশুৱে আনন্দ পালে মুখেৰে হাঁহি, হাত চাপৰি বজায়, আনহাতে দুখ পালে বা মাক দেউতাকে খং কৰিলে মুখখনত দুখৰ ভাৱ প্ৰকাশ পায়। তাৰোপৰি শিশুসকলে তেওঁলোকৰ আবেগসমূহ খোলা ৰূপত প্ৰকাশ কৰে, যাৰ দ্বাৰা শিশুৱে ভয় খাইছেনে, স্ফুৰ্তি পাইছে বা খং উঠিছে তাক জানিব পাৰি। এইদৰে শিশু ডাঙৰ হৈ অহাৰ লগে লগে আৱেগিক প্ৰকাশ নিয়ন্ত্ৰণ কৰিব পাৰে। ইয়াৰ কাৰণ পিতৃ মাতৃৰ কঠোৰ অনুশাসন বা সামাজিক হেঁচা আদি হ'ব পাৰে।

২.১২ প্ৰজ্ঞাত্মক বিকাশ বা বৌদ্ধিক বিকাশ (Cognitive development) ঃ

প্ৰজ্ঞাত্মক বিকাশ হ'ল এটা শিশুৰ বোধ জ্ঞানৰ বিকাশৰ লগতে যিকোনো সমস্যা সমাধান কৰিব পৰা সামৰ্থতা। প্ৰজ্ঞাত্মক বিকাশে বুজা পৰা মনোভাৱৰ লগতে শিক্ষাৰ প্ৰক্ৰিয়াসমূহক বুজায়। প্ৰজ্ঞাত্মক বিকাশৰ লগত মগজুৰ বিভিন্ন কাৰ্যৰ সম্পৰ্ক আছে। যদি আমি চাওঁ তেতিয়া দেখিবলৈ পাম যে— এটা ১ৰ পৰা ১½ বছৰীয়া শিশুৱে খেলা বস্তু যেনে— গাড়ী, পুতলা আদিৰ সৈতে খেলাধূলা কৰি ভাল পায়। সেইদৰে ২ বছৰীয়া শিশুৱে বল আদি লৈ বা ব্লকৰ সহায়ত খেলে, ৩ বছৰীয়া শিশুৱে ছবি আঁকি, নাৰ্চাৰী ৰাইম আদি গাই থাকে। এই সকলোবোৰ প্ৰজ্ঞাত্মক বিকাশৰ উদাহৰণ। শিশুৰ বয়স বাঢ়ি যোৱাৰ লগে লগে অভিজ্ঞতাও বৃদ্ধি পায় আৰু ইয়াৰ বাবে শিশুৰ বোধজ্ঞানৰ পৰিবৰ্তন হয়।

২.১৩ প্ৰজ্ঞাত্মক বিকাশৰ বৈশিষ্ট্যসমূহ (Characteristics of cognitive development) ঃ

শিশুৰ বয়স বাঢ়ি যোৱাৰ লগে লগে প্ৰজ্ঞাত্মক আচৰণসমূহো বেলেগ বেলেগ হয়। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

জন্মৰ পৰা তিনিমাহ (০-৩ মাহ) ঃ

জন্মৰ পৰা তিনিমাহ বয়সলৈ শিশুৰ প্ৰজ্ঞাত্মক বিকাশ কমকৈ হয়। এই সময়ত শিশুৱে বিচনাত পৰি সৰহভাগ সময় কটায় যদিও সিহঁতে চাৰিওদিশৰ বস্তুসমূহ চাই এইবোৰ বুজিবলৈ চেষ্টা কৰে। এই বয়সৰ শিশুৱে হাতৰ আঙুলি চুপি, ভৰি মুখলৈ নি

বা মাকৰ গাখীৰ খাই ভোক নিবাৰণ কৰে। শিশুৱে কান্দিলে মাকে গাখীৰ খুৱাই কান্দোন বন্ধ কৰে। পিছলৈ শিশুৱে কান্দোন আৰু গাখীৰ খোৱাৰ মাজত এটা সম্পৰ্ক স্থাপন কৰিব খোজে। এইদৰে শিশুৱে ভোক লাগিলে ওঁঠ লৰাই সহাঁৰি দিয়ে। দুমহীয়া এটা শিশুৱে পুতলা আদিৰ সৈতে খেলাতকৈ নিজৰ হাতৰ ৰুঢ়া আঙুলি চুপি বা ভৰি মুখলৈ নি যথেষ্ট আনন্দ লাভ কৰে।

চাৰিৰ পৰা ছয় মাহ (৪-৬ মাহ) ঃ

এই বয়সলৈকে শিশুৱে হাতত পোৱা যিকোনো বস্তু মুখলৈ নি চুপিবলৈ ধৰে। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে অর্থাৎ ৬ মাহ বয়সৰ পৰা খেলা বস্তুৰ সৈতে খেলিবলৈ আৰম্ভ কৰে। লাহে লাহে শিশুৱে বুজি পায় যে— তাৰ ওচৰত থকা খেলা বস্তুসমূহে গাখীৰ দিব নোৱাৰে।

সাত মাহৰ পৰা বাৰ মাহ (৭-১২ মাহ) ঃ

শিশুৰ আচৰণ পৰিবর্তনত প্রজ্ঞাত্মক বিকাশে যথেষ্ট প্রভাৱ পেলায়। এই বয়সত শিশুৱে নিজস্ব অভিজ্ঞতা বা প্রত্যক্ষ জ্ঞানৰ দ্বাৰা কিছুমান কথা বুজিবলৈ চেষ্টা কৰে। এটা সামান্য উদাহৰণৰ দ্বাৰা এই কথা ভালদৰে বুজিব পাৰিবা। যদি এই বয়সৰ এটা শিশুৱে গৰম চাহৰ কাপ বা গৰম ইস্ত্রি এটা হাতেৰে স্পর্শ কৰাৰ ফলত হাতখন পোৰে, তেতিয়া শিশুৱে পিছলৈ চাহৰ কাপ বা ইস্ত্রিৰ দৰে বস্তু দেখিলে তাৰ পৰা আঁতৰত থাকিব। কিয় এনে কৰে জানানে? শিশুৰ গৰম চাহৰ কাপ বা ইস্ত্রিয়ে পো�ৰাৰ পিছত হোৱা অনুভৱৰ সৈতে সেই বস্তু দুটাৰ এক সম্বন্ধ স্থাপন কৰিব পাৰে।

দুই বছৰৰ পৰা তিনি বছৰ (২-৩ বছৰ) ঃ

এই বয়সৰ শিশুৱে কোনো এটা বস্তু দেখা নাপালেও সেই বস্তুটোৰ অস্তিত্বৰ বিষয়ে বুজি পায়। উদাহৰণস্বৰূপে যদি এটা ছমহীয়া বা এবছৰীয়া শিশুক এটা ধুনীয়া পুতলা দেখুওৱা হয়, তেনেহ'লে শিশুটোৱে আনন্দ পাব। আনহাতে যদি তৎক্ষণাত পুতলাটো লুকুৱাই থোৱা হয়, কিছু সময়ৰ পিছত শিশুৱে পুতলাটোৰ অস্তিত্বৰ কথা পাহৰি যাব। আনহাতে যদি দুবছৰীয়া বা তাতকৈ ডাঙৰ শিশুক এইদৰে কৰা হয়, তেতিয়া শিশুটোৱে পুতলাটো বিচাৰি উলিয়াবলৈ চেষ্টা কৰিব। কাৰণ এই বয়সৰ শিশুৱে বুজি পায় যে পুতলাটো দেখা নাপালেও কৰবাত আছে। এইদৰে পুতলাটোৰ অস্তিত্বৰ বিষয়ে পাহৰি নোযোৱা সামর্থ্যতাকে 'বস্তুটোৰ স্থায়িত্ব' (object Permanance) বোলে।

দুবছৰীয়া এটা শিশুৱে বিভিন্ন ধৰণৰ চিহ্নৰ বিষয়েও শিকে। তাৰোপৰি এই বয়সৰ শিশুৱে সিহঁতৰ ভাৱ, কল্পনাসমূহ ভাষাৰ যোগেদি প্রকাশ কৰে। তোমালোকে কেতিয়াবা শিশুৱে মাক বা দেউতাকৰ কাপোৰ পিন্ধি নাটক কৰা দেখিছানে? এই বয়সৰ শিশুৱে মাক বা দেউতাকৰ ভূমিকা পালন কৰিবলৈ চেষ্টা কৰে। শিশুৱে জীৱহীন বস্তুকো মানুহৰ দৰে ব্যৱহাৰ কৰে। খেলা বস্তু ভাঙিলে শিশুৱে মাকক ভগা অংশত বেন্দেজ লগাই দিবলৈ কোৱা দেখিছানে? এই বয়সত শিশুৱে মাটিত পৰি দুখ পালে মাকক মাটি টুকুৰাত মাৰিবলৈ বা শাস্তি দিবলৈ কয়। এইদৰে লাহে লাহে শিশুৱে তেওঁলোকৰ অভিজ্ঞতাসমূহ মানসিকভাৱে সংৰক্ষণ কৰিবলৈ সমর্থ হয় আৰু ইন্দ্রিয়সমূহৰ ব্যৱহাৰো বৃদ্ধি পায়।

২.১৪ প্রজ্ঞাত্মক বিকাশৰ বিভিন্ন স্তৰ (Different stages of cognitive development) ঃ

পৃথিৱীৰ প্রতিটো বস্তুৰ প্রতি শিশুৰ বোধ জ্ঞানৰ বিকাশেই হৈছে প্রজ্ঞাত্মক বিকাশ। শিশুৱে পৰিবেশৰ পৰা লাভ কৰা নতুন নতুন অভিজ্ঞতাৰ লগতে বিভিন্ন মানুহৰ সৈতে হোৱা সম্পর্কই শিশুৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। বিখ্যাত মনোবিজ্ঞানী জ্যা পিয়াঁজে (Jean Piaget) শিশুৰ প্রজ্ঞাত্মক বিকাশৰ ওপৰত নানা ধৰণৰ গৱেষণা চলাই এক তত্ত্ব দাঙি ধৰিছে। এই তত্ত্ব অনুসৰি তেওঁ শিশুৰ প্রজ্ঞাত্মক বিকাশক তলত দিয়া ধৰণে বিভিন্ন স্তৰত ভাগ কৰিছে—

(১) **সংবেদী প্রচেষ্টক স্তৰ (Sensory motor stage)** ঃ জন্মৰ পৰা দুবছৰলৈকে এই স্তৰত পৰে।

(২) **প্রাক প্রয়োগ স্তৰ (Pre-operational stage)** ঃ দুবছৰৰ পৰা সাত বছৰীয়া শিশু এই স্তৰৰ অন্তর্গত।

(৩) **সূক্ষ্ম কার্যৰ ধৰণৰ স্তৰ (Concrete operational stage)** ঃ সাতৰ পৰা এঘাৰ বছৰৰ শিশু এই স্তৰত পৰে।

(৪) **আনুষ্ঠানিক কার্যকৰী চিন্তাৰ স্তৰ (Formal operational stage)** ঃ এঘাৰ বছৰৰ পৰা পোন্ধৰ বছৰলৈ এই স্তৰৰ অন্তর্গত।

২.১৫ ভাষাৰ বিকাশ (Language development) ঃ

আমাৰ সকলোৰে মনৰ ভাৱ আদান প্রদান কৰিবলৈ ব্যৱহাৰ কৰা মাধ্যম হৈছে ভাষা। ভাষাৰ দ্বাৰা আমি নিজকে প্রকাশ কৰিবলৈ সমর্থ হওঁ। আমি কথা কৈ বা শাৰিৰীক অংগীভংগীৰ দ্বাৰা মনৰ ভাৱ প্রকাশ কৰো। জন্ম হোৱাৰ পিছতে শিশুৱে কথা ক'ব পাৰেনে? নোৱাৰে নহয় জানো? জন্মৰ পৰা কিছুদিনলৈ শিশুৱে কথা ক'ব নোৱাৰে। লাহে লাহে শিশুৱে মুখেৰে কেতবোৰ শব্দ কৰিবলৈ শিকে, চুটি, সাধাৰণ শব্দহে ক'ব পাৰে। এইদৰেই শিশুৰ ভাষাৰ বিকাশ হ'বলৈ আৰম্ভ কৰে। এইখিনিতে এটা প্রশ্ন হয় যে ভাষাৰ বিকাশ মানে কি? ইয়াৰ অর্থ হ'ল— উপযুক্ত অর্থপূর্ণ শব্দ আৰু বাক্যৰ ব্যৱহাৰৰ দ্বাৰা ভাৱৰ আদান প্রদান কৰাৰ সামর্থতা।

আগতেই উল্লেখ কৰা হৈছে যে— শিশুৱে জন্মৰ লগে লগে কথা ক'ব নোৱাৰে। তেওঁলোকৰ ভাষাৰ বিকাশ লাহে লাহে বয়স অনুযায়ী হয়। শিশুৰ বিভিন্ন স্তৰত হোৱা ভাষাৰ বিকাশৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হৈছে—

২.১৬ ভাষাৰ বিকাশৰ বৈশিষ্ট্যসমূহ (Characteristics of language development) ঃ

জন্মৰ পৰা তিনি মাহ (০-৩ মাহ) ঃ এই বয়সৰ শিশু বৰ অসহায় অৱস্থাত থাকে। কান্দোনৰ যোগেদিয়েই শিশুৱে বিভিন্ন ধৰণৰ প্রয়োজনসমূহ পূৰণ কৰিব খোজে। কান্দোনৰ প্রকাৰ বেলেগ বেলেগ হয়। অর্থাৎ ভোক লাগিলে, ভয় খালে, দুখ পালে বা পেচাব পায়খানা আদি কৰিলে বেলেগ ধৰণে কান্দে। পিতৃমাতৃয়ে শিশুৰ ভিন্ন ধৰণৰ কান্দোনসমূহ চিনি পায় আৰু সেইদৰেই তেওঁলোকৰ প্রয়োজনসমূহ পূৰণ কৰে। শিশুৰ তিনিমাহ হোৱাৰ লগে লগে মুখেৰে

[redacted] আদি শব্দ কৰিবলৈ শিকে। তাৰোপৰি শিশুৰ [redacted]দ লাগিলে, পেট ভৰি থাকিলে বা মাকক ওচৰত [redacted]লে মুখেৰে অস্পষ্ট শব্দ কৰিবলৈ লয়।

চাৰিৰ পৰা ছয় মাহ (৪-৬ মাহ) ঃ

এই সময়ত শিশুৰে মুখেৰে 'অ-আ' আদি শব্দ কৰে। লাহে লাহে শিশুৰে বিভিন্ন শব্দ যেনে— মা, পা, বা, তা আদি কবলৈ লয়।

সাতৰ পৰা ন মাহ (৭-৯ মাহ) ঃ

বয়স বাঢ়ি যোৱাৰ লগে লগে শিশুৰে অভ্যাসৰ দ্বাৰা ওপৰত উল্লেখ কৰা শব্দসমূহ একেলগে দুবাৰকৈ উচ্চাৰণ কৰিব পাৰে। যেনে— মামা, দাদা, বাবা, পাপা, তাতা ইত্যাদি। ইয়াৰ উপৰিও শিশুৰে কিছুমান অর্থ নোহোৱা শব্দ কয়। লাহে লাহে শিশুৰে অর্থযুক্ত শব্দ ক'বলৈ শিকে আৰু যিকোনো এটা বস্তুৰ নাম লৈ এটা অর্থপূর্ণ বাক্য প্রকাশ কৰিব বিচাৰে। উদাহৰণস্বৰূপে এই বয়সৰ শিশুৰে, খেলাবস্তু, বল বা খেলনা গাড়ী আদি দেখুৱাই মুখেৰে বল বা গাড়ী উচ্চাৰণ কৰিলে বুজিব লাগিব যে শিশুটোৱে 'মোক বলটো বা গাড়ীখন লাগে' এনে ধৰণে ক'ব বিচাৰিছে।

দহৰ পৰা বাৰ মাহ (১০-১২ মাহ) ঃ

এই বয়সত শিশুৰে সহজ সৰল আৰু চুটি বাক্য ক'বলৈ শিকে। যেনে— 'মাম খাম' (ভাত খাম), 'মা যাম' (মা'ৰ ওচৰলৈ যাম) 'দেউতা অফিচ' (দেউতা অফিচত আছে) 'মা কাম' (মা'য়ে কাম কৰি আছে) ইত্যাদি। এইবোৰক 'ডাকতাঁৰ বার্তা' (telegraphic speech) বোলা হয়। এইদৰে শিশুৰে এটা দুটা শব্দৰ ব্যৱহাৰৰ দ্বাৰা এটা জটিল বাক্য প্রকাশ কৰে। শিশুৰে সৰল শব্দসমূহ বাৰে বাৰে ব্যৱহাৰ কৰাৰ ফলত ভাষাৰ বিকাশ ভালদৰে হয়। বাপেক-মাক বা পৰিয়ালৰ, অন্য লোকে শিশুৰ সৈতে শব্দৰ শুদ্ধ উচ্চাৰণৰ দ্বাৰা কথা পাতিব লাগে। তেতিয়াহে শিশুৰে শব্দসমূহ শুদ্ধভাৱে ব্যৱহাৰ কৰিব পাৰিব।

দুইৰ পৰা তিনি বছৰ (২-৩ বছৰ) ঃ

শিশুৰ বয়স বাঢ়ি যোৱাৰ লগে লগে তিনি চাৰিটা শব্দ যুক্ত বাক্য ক'বলৈ শিকে। উদাহৰণস্বৰূপে 'মই ভাত খাম', 'মোক এটা পুতলা লাগে' ইত্যাদি। ১৮ৰ পৰা ২০ মাহ বয়সৰ শিশুৰে ৫০টা মান শব্দ ক'ব পাৰে। কিন্তু দুবছৰীয়া শিশুৰে ৩০০টা শব্দ আৰু আঢ়ৈ বছৰৰ পৰা তিনিবছৰ বয়সত প্রায় ১০০০টা শব্দ ক'ব পৰা হয়। এই বয়সৰ শিশুৰে নতুনকৈ কিছুমান শব্দ শিকে আৰু এইবোৰ সঘনাই ব্যৱহাৰ কৰে। এই সময়ৰে শিশুৰে প্রাক্ বিদ্যালয়লৈ যাবলৈ সাজু হয়। ফলত সিহঁতে নার্চাৰী পদ্য (Nursery rhyme) বা অন্য গান আদি গাই ভাল পায়। তিনি বছৰ বয়সীয়া শিশুৰে এটাতকৈ অধিক ভাষা ক'বলৈ শিকে। কাৰণ সিহঁতে টেলিভিচন চাই বা প্রাক্ বিদ্যালয়ত লগৰ সমনীয়াৰ লগত কথা পাতোতে বিভিন্ন ধৰণৰ ভাষা যেনে— হিন্দী, ইংৰাজী আদি ভাষা কিছু পৰিমাণে আয়ত্ব কৰে।

মূলভাৱ

- শিশুৰ বিভিন্ন দিশত যেনে ঃ শাৰিৰীক, প্ৰচেষ্টক, সামাজিক, আবেগিক, প্ৰজ্ঞাত্মক আৰু ভাষাৰ বিক হয়।
- শিশুৰ উচ্চতা, ওজন আদিৰ পৰিবৰ্তনৰ লগে লগে শৰীৰৰ আকাৰ, গঠন আদিবো পৰিবৰ্তন হয়।
- প্ৰচেষ্টক বিকাশ হৈছে শিশুৰ মাংসপেশী, হাঁড় স্নায়ু আদি ব্যৱহাৰৰ সামৰ্থতা।
- প্ৰচেষ্টক বিকাশ প্ৰত্যেক ৩-৪ সপ্তাহৰ ব্যৱধানত সলনি হ'ব পাৰে।
- শিশুৰ কৌশল আয়ত্বকৰণত কেতবোৰ কাৰকে প্ৰভাৱ পেলায়।
- সামাজিক বিকাশে শিশুৰ সৈতে মাক দেউতাক, বাই ভনী বা অন্যান্য সদস্যৰ মাজত মৰমৰ বান্ধোন দৃঢ় কৰি তোলে।
- সামাজীকৰণ হৈছে শিশুৱে এটা গোটত থাকি ভাল আচৰণ দেখুওৱা।
- কেঁচুৱা আৰু চালুকীয়া অৱস্থাৰ শিশুৰ আবেগসমূহ হৈছে— কন্দা, খং, ঈৰ্ষা, মৰম, ভালপোৱা ইত্যাদি।
- শিশুৱে বিভিন্ন ধৰণে আবেগ প্ৰকাশ কৰে।
- প্ৰজ্ঞাত্মক বিকাশ হৈছে শিশুৰ বোধ জ্ঞানৰ বিকাশৰ লগতে যিকোনো সমস্যা সমাধান কৰিব পৰা সামৰ্থতা।
- প্ৰজ্ঞাত্মক বিকাশৰ চাৰিটা স্তৰ আছে।
- শিশুৱে লাহে লাহে কথা ক'বলৈ শিকে। তিনিবছৰ বয়সৰ শিশুৱে ১০০০টা মান শব্দ ক'বলৈ শিকে।